# কানৈ কলেজত প্ৰাক্তন অলিম্পিয়ান ভি এছ চৌহানৰ সৈতে অন্তৰংগ আলাপ

ডিব্ৰুগড়, ৭ জানুৱাৰী ঃ অলিম্পিয়ান আৰু দেশৰ ক্ৰীড়াৰ সৰ্বোচ্চ সন্মান অৰ্জুন বঁটাৰে বিভূষিত দেশৰ জনপ্ৰিয় খেলুৱৈৰে এক মত-বিনিময় অনুষ্ঠান ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত আজি সম্পন্ন হয়। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উদ্যোগত, ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু এন এল বি চিটি মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানত প্ৰাক্তন অলিম্পিয়ান, আইৰন মেন অৱ এছিয়াৰে সন্মানীত, এছিয়ান গেম্‌ছত সোণৰ পদক বিজয়ী, অৰ্জুন বঁটাৰে বিভূষিত ভি এছ চৌহানে ক্ৰীড়াৰ পথাৰখনৰ বহুখিনি সাৰুৱা কথা উল্লেখ কৰি তেওঁ কিদৰে এক পিছপৰা অঞ্চলৰ পৰা আহি কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ বলত অলিম্পিক জয়ী হোৱাৰ লগতে এছিয়ান গেম্‌ছত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল সেই বিষয়ে অৱগত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ৮ পৃষ্ঠাত

## কানৈ কলেজত প্ৰাক্তন

লগত বহু প্ৰশ্নৰ মত-বিনিময় কৰে। কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰাক্তন কাৰ্যবাহী সঞ্চালক, ৰাষ্ট্ৰীয় শৰীৰ চৰ্চাবিদ ড° প্ৰেমচান্দ কাশ্যপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময় কৰাৰ লগতে এক মননশীল বক্তব্য প্ৰদান কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জে পি বাৰ্মাই ক্ৰীড়া বিষয় অধ্যয়ন কৰি কিদৰে নিযুক্তি লাভ কৰিব তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানটোত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পাৰ্থপ্ৰতিম বৈৰাগী, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, এন এল বি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁইকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় এন এল বি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁয়ে।


# অসম আদিত্য

☐ অসম আদিত্য, ডিব্ৰুগড় ☐ দেওবাৰ, ৮ জানুৱাৰী, ২০২৩ ☐ ২৩ পুহ, ১৯৪৪ শক ☐